জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৩৩/২০২২

‘ৰাইজিং ছান ৱাটাৰ ফেষ্ট-২০২২’ৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# উমিয়ামৰ জলক্ৰীড়াস্থলী বিশ্বমানৰ পৰ্যায়লৈ উন্নীত কৰাৰ বাবে সেনাবাহিনীৰ সৈতে অসম আৰু মেঘালয় চৰকাৰে যুটীয়াভাৱে কাম কৰিবঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মেঘালয়ৰ উমিয়াম হ্ৰদত ‘ৰাইজিং ছান ৱাটাৰ ফেষ্ট-২০২২’ৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখ্য যে ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ড, গজৰাজ ক’ৰ্পছ আৰু ৰেড হৰ্ণছ ডিভিজনে যোৱা ৩ নৱেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে এই উৎসৱৰ আয়োজন কৰিছিল।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই দেশৰ বিভিন্ন ক্লাব আৰু খেলুৱৈসকলক ৰয়িং আৰু নাও চালনাৰ বাবে একত্ৰিতকৰণ তথা অংশগ্ৰহণৰ এক উমৈহতীয়া মঞ্চ প্ৰদান কৰা বাবে আয়োজক সমিতিৰ শলাগ লয়। তেওঁ মন্তব্য কৰে যে উমিয়াম হৈছে মেঘালয়ৰ এক অন্যতম বৃহৎ কৃত্ৰিম হ্ৰদ। জলক্ৰীড়া তথা দুঃসাহসিক ক্ৰীড়াৰ বিভিন্ন সুবিধা থকা এই হ্ৰদটোত ‘ৰাইজিং ছান ৱাটাৰ ফেষ্ট-২০২২’ অনুষ্ঠিতকৰণে এক বিশেষ মাত্ৰা প্ৰদান কৰিলে। ভৱিষ্যতে ৰয়িং আৰু নাও চালনাৰ ক্ৰীড়াশৈলী পৃষ্ঠপোষকতা কৰাৰ দিশত অসম আৰু মেঘালয় দুয়োখন ৰাজ্যৰ দায়বদ্ধতা এই ক্ৰীড়া উৎসৱে বৃদ্ধি কৰিলে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োখন ৰাজ্যই এই আশাব্যঞ্জক জলক্ৰীড়াৰ প্ৰচাৰৰ বাবে একেলগে কাম কৰিব লাগিব। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে মেঘালয় চৰকাৰৰ সহযোগিতা কামনা কৰি কয় যে সেনাবাহিনীৰ সৈতে দুয়োখন ৰাজ্যৰ চৰকাৰে উমিয়ামৰ এই জলক্ৰীড়াস্থলী বিশ্বমানৰ পৰ্যায়লৈ উন্নীত কৰাৰ বাবে যুটীয়াভাৱে কাম কৰিব। ড০ শৰ্মাই লগতে মন্তব্য কৰে যে ‘ৰাইজিং ছান ৱাটাৰ ফেষ্ট’ৰ দৰে জলক্ৰীড়া উৎসৱে ভৱিষ্যতে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে সমগ্ৰ দেশৰ জলক্ৰীড়াৰ সৈতে জড়িত ক্ৰীড়াবিদক আকৰ্ষণ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। এই উৎসৱৰ প্ৰসাৰে সমগ্ৰ অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশ, আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰিবলৈ সক্ষম হ’ব বুলিও তেওঁ কয়। অনাগত দিনত উত্তৰ-পূৰ্বাঞ্চলত জলক্ৰীড়াৰ জনপ্ৰিয়তা আৰু প্ৰচাৰৰ ক্ষেত্ৰত এনে উৎসৱে এক নতুন আৰম্ভণিৰ সূচনা কৰিব বুলিও তেওঁ মন্তব্য কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ভাৰতীয় সেনাৰ শৌৰ্য আৰু পৰাক্ৰমৰো শলাগ লয়।

অনুষ্ঠানত ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ জেনেৰেল অফিচাৰ কমাণ্ডিং ইন চীফ লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতা, ইষ্টাৰ্ণ এয়াৰ কমাণ্ডৰ এয়াৰ অফিচাৰ কমাণ্ডিং ইন চীফ এয়াৰ মাৰ্শ্বাল সুজিত পুষ্পকৰ ধৰকাৰ, জি অ’ চি ফ’ৰ ক’ৰ্পছৰ লেফটেনেণ্ট জেনেৰেল ডি এছ ৰাণা, জি অ’ চি ২১ মাউণ্টেণ্ট ডিভিজনৰ মেজৰ জেনেৰেল এছ মুৰুগেছানৰ উপৰি বিভিন্ন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**৫/১১/২০২২**